Unit - II

Date - 2/05/20

## 'Buddhist Philosophy'

বৌদ্ধিক দৰ্শনে ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত বিশেষ স্থান দখল কৰিছে। ইয়াক ব্ৰাহ্মনিক ব্যৱস্থাৰ এটা উৎপাদিত ফল হিচাপে বিবেচনা কৰিব পাৰি। গৌতম বুদ্ধ হ'ল বৌদ্ধ ধৰ্মৰ প্ৰতিষ্ঠাতা। অক্ষৰে পক্ষে গৌতম বুদ্ধই মানুহৰ জীৱনত উদ্ভৱ হোৱা সমস্যাৰাজি, ৰোগ, শোক, মৃত্যু, বাৰ্দ্ধক্য ইত্যাদি কেনেদৰে নিৰাময় কৰিব পাৰি তাৰ বাবে কঠোৰ তপস্যাত মগ্ন হৈছিল। এই দৰ্শনৰ মূল কথা হ'ল 'মুক্তি' (Salvation)।

খ্ৰীষ্টপূৰ্ব প্ৰায় ৬০০ শতাব্দীৰ পৰা বৌদ্ধিক দৰ্শনৰ অস্তিত্বৰ প্ৰতিফলন ঘটে। মঠ, বিহাৰ, সংঘ আদিবোৰেই আছিল বৌদ্ধিক শিক্ষাৰ মূল অনুষ্ঠান। সমগ্ৰ বৌদ্ধিক শিক্ষা ব্যৱস্থাটো Monks বা বৌদ্ধ ধৰ্মপন্থী লোকসকলে পৰ্য্যবেক্ষণ আৰু নিয়ন্ত্ৰণ কৰিছিল। বৈদিক শিক্ষা পদ্ধতিৰ দৰে বৌদ্ধিক শিক্ষা প্ৰক্ৰিয়াটো শিক্ষাৰ্থীৰ বাবে ভৰ্তিকৰণ আৰু সমাপ্তিকৰণত বিশেষ অনুষ্ঠান Pabbajja (পবজ্জা) আৰু Upasampada (উপসম্পদা) অনুষ্ঠিত কৰাৰ নিয়ম আছিল।

বৌদ্ধ দৰ্শনে সাধাৰণ মানুহৰ মাজত গভীৰভাৱে সোমাই পৰাৰ কাৰণ হ'ল এই দৰ্শনৰ নীতি-নিয়মসমূহ সাধাৰণ আছিল আৰু মানৱ জীৱনৰ নৈতিকতাৰ ওপৰত এই দৰ্শনে গুৰুত্ব আৰোপ কৰিছিল। বৌদ্ধ দৰ্শনৰ সকলো মত আৰু শিক্ষাৰ ধাৰণা 'পিটক' (শিক্ষনৰ পাচি বা ভঁৰাল) তিনিখনত সিঁচৰিত হৈ আছে। পিটককেইখন হ'ল —

(i) **সুত্ত পিটক:** এই পিটক ৫ টা ভাগত বিভক্ত। সেইবোৰক 'নিকায়' বোলা হয়। ইয়াত বুদ্ধই বিভিন্ন ঠাইত প্ৰদান কৰা ভাষণ আৰু কথোপকথন সন্নিবিষ্ট আছে।

(ii) **বিনয় পিটক:** ইয়াত ৩ টা ভাগ আছে। ইয়াত বৌদ্ধ ভিক্ষুসকলে পালন কৰিবলগীয়া নৈতিক নীতি-নিয়মসমূহৰ বৰ্ণনা আছে।

(iii) **অভিধৰ্ম পিটক:** ইয়াৰ ভাগ ৭ টা। ইয়াত মনোবৈজ্ঞানিক নীতিশাস্ত্ৰ (Psychological ethics), পৰাবিজ্ঞান (Metaphysics) আৰু দৰ্শনৰ নীতিসমূহ সন্নিবিষ্ট আছে।

# Four Principles of Buddhist Philosophy.
OR
# Four Noble Truths of Buddhist Philosophy.

বুদ্ধৰ মতে দুখৰ পৰা মুক্তি পোৱাই মানুহৰ চৰম লক্ষ্য। সুদীৰ্ঘকাল তপস্যা কৰাৰ ফলত তেওঁৰ দিব্যজ্ঞান লাভ হ'ল আৰু চাৰিটা মহান সত্যৰ সন্ধান পালে। এই সত্যজ্ঞান বৌদ্ধ দৰ্শনত 'আৰ্য্যসত্য' নামে পৰিচিত। এই চাৰি আৰ্য্যসত্য হ'ল ——

① **জীৱনত দুখ আছে :** ৰোগ, বাৰ্দ্ধক্য আৰু মৃত্যুৰ দুখে বুদ্ধৰ মনত ৰবকৈ প্ৰভাৱ পেলালে। তেওঁ উপলব্ধি কৰিলে যে কেৱল ৰোগ, বাৰ্দ্ধক্য আৰু মৃত্যুৱেই মানুহক দুখ নিদিয়ে, বৰং সমগ্ৰ মানৱ জীৱন দুখেৰে ভৰপূৰ। আসক্তিয়ে উৎপন্ন কৰা সকলো বস্তুতে দুখ থাকিবই। সুখজনক বুলি ভবা বস্তুবোৰ কেতিয়াবা হেৰাব পাৰে বা হেৰুওৱাৰ আশংকা আমাৰ মনত থাকে। সেইবাবে সেইবোৰ বস্তুৱে আমাক সুখৰ পৰিবৰ্তে দুখহে দিয়ে।

② **দুখৰ কাৰণ আছে :** দ্বিতীয় মহান সত্যটোক 'দুখ সমুদয়' নামে জনা যায়। বুদ্ধদেৱে কৈছে যে জড়জগত আৰু মনোজগতৰ প্ৰতিটো ঘটনা আগতে ঘটা যিকোনো এটা ঘটনাৰ ওপৰত নিৰ্ভৰশীল। কোনো ঘটনাই কাৰণবিহীন আৰু স্ব-নিৰ্ভৰশীল নহয়। গতিকে দুখৰো কাৰণ আছে। মানৱ জীৱনৰ সকলোবোৰ দুখকে একেলগে 'জৰা মৰণ' বোলে। এই 'জৰা মৰণ' দুখৰ কাৰণ হ'ল 'জন্ম' (Jati)। জন্মৰো আকৌ কাৰণ আছে। জাগতিক বিষয়ৰ প্ৰতি থকা আগ্ৰহেই জন্মগ্ৰহণৰ কাৰণ। প্ৰকৃততে আমি ইন্দ্ৰিয়ৰ সুখৰ ওপৰত বেছি প্ৰাধান্য দিওঁ। সত্যৰ স্বৰূপ সম্পৰ্কে মানুহ অজ্ঞ। বুদ্ধৰ মতে জগতৰ দুখ উপলব্ধি কৰিব পাৰিলে মানুহৰ পুনঃ জন্মৰ হাবিয়াস নাথাকিলহেঁতেন। তেওঁ দুখক এডাল শিকলিৰ লগত তুলনা কৰিছে। এই শিকলিডালত 12 টা সংযোজক আছে, যাক বৌদ্ধসকলে 'দ্বাদশ নিদান' (Twelve links) নাম দিছে। ইয়াক "ভাৱ চক্ৰ" নামেৰেও জনা যায়।

③ **দুখ ৰোধ কৰিব পাৰি:** বুদ্ধৰ দ্বিতীয় চৰম সত্যত আলোচনা কৰা হৈছে যে দুখ কিছুমান চৰ্তৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে এই চৰ্তবোৰ নাইকিয়া কৰিব পাৰিলে দুখৰো সমাপ্তি ঘটিব। এই সত্যকে 'দুখ নিৰোধ' বোলে। পাৰ্থিব বস্তুৰ প্ৰতি আসক্তি লোপ পালে দুখৰ সমাপ্তি ঘটিব। তাৰবাবে আৱেগৰ সম্পূৰ্ণ শাসন আৰু সত্যৰ অবিৰাম ধ্যান লাগিব। পাৰ্থিব বস্তুৰ শিকলি ছিঙিব পাৰিলে মানুহ মুক্ত হ'ব। এই অৱস্থাকে বৌদ্ধ দৰ্শনত 'নিৰ্বান' (Nirvana) বোলে।

কিন্তু 'নিৰ্বান' লাভ কৰা মানেই ব্যক্তিজন নিষ্ক্ৰিয় হৈ পৰা নুবুজায়। বুদ্ধদেৱে স্পষ্টভাৱে কৈছে যে কৰ্ম দুই প্ৰকাৰৰ আছে। কিছুমান কৰ্ম, মোহ, ৰাগ আৰু দ্বেষৰ প্ৰভাৱত আৰু কিছুমান কৰ্ম আসক্তি নোহোৱাকৈ কৰা হয়। প্ৰথম প্ৰকাৰৰ কৰ্মই আমাক পুনৰজন্মত সহায় কৰে আৰু নিৰাসক্তভাৱে কৰা কৰ্মৰপৰা পুনৰজন্ম নহয়। নিৰ্বান লাভ কৰিলে পুনৰজন্মৰ চুক্তি সমূহ ধ্বংস হয়।

④ **দুখ নিৰোধ কৰাৰ উপায় আছে:** এই চৰম সত্যক 'দুখ নিৰোধ মাৰ্গ' বুলি জনা যায়। দুখৰ পৰা সম্পূৰ্ণ মুক্তি লাভ কৰাৰ পথ আছে। এই পথ বুদ্ধই নিজে অনুসৰণ কৰিছিল আৰু আনকো অনুসৰণ কৰিবলৈ উপদেশ দিছিল। বুদ্ধই মুক্তিৰ বাবে ৮ টা নিয়ম মানি চলিবলৈ পৰামৰ্শ দিছিল। এই আঠোটা নিয়মক "অষ্টাংগিক মাৰ্গ" (Eight fold Path) বোলা হয়। এই নিয়মসমূহে বুদ্ধৰ নৈতিকতাবাদৰ মূলতত্ত্ব প্ৰকাশ কৰিছে।

——o——

# Educational implications of Buddhist philosophy.

Date-04/5/20

## ① Buddhism and aims of Education: বৌদ্ধ দৰ্শনে শিক্ষাৰ লক্ষ্যত প্ৰভাৱ বিস্তাৰ কৰিছে। যেনে—

i) অহিংসা (Ahinsa): এই দৰ্শনৰ মতে শিক্ষাৰ মূল লক্ষ্য হ'ব লাগে অহিংসা নীতিৰ প্ৰসাৰ ঘটোৱা। প্ৰতিজন শিক্ষাৰ্থীয়ে যাতে শিক্ষাৰ জৰিয়তে অহিংসা নীতিৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

ii) নৈতিক শিক্ষা (Moral Education): মানুহে নিজৰ কৰ্ম অনুসৰি ফল ভোগ কৰে। সেয়েহে সৎ কৰ্মৰ জৰিয়তে যাতে মানুহে নৈতিক দিশৰ বিকাশ সাধন কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি নৈতিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

iii) সঠিক পথৰ সন্ধান (Show the right Path): মানুহে যাতে জীৱনৰ পথত সন্মুখীন হোৱা দুখ কষ্টৰ অৱসান ঘটাই আধ্যাত্মিক দিশৰ বিকাশ সাধন কৰিব পাৰে, তাৰ প্ৰতি শিক্ষাই গুৰুত্ব দিব লাগে। আত্ম উপলব্ধি বা শুদ্ধাশুদ্ধৰ বিচাৰৰ ক্ষমতা আহৰণ কৰিব পৰাকৈ শিক্ষাৰ লক্ষ্য নিৰ্দ্ধাৰণত বৌদ্ধিক শিক্ষাই প্ৰাধান্য দিয়ে।

iv) মহৎ সত্যৰ জ্ঞান (Knowledge about noble truth): মানুহৰ জীৱনত অনাকাংক্ষিতভাৱে আৱিৰ্ভাৱ হোৱা দুখ, দুখৰ কাৰণ, দুখৰ প্ৰতিকাৰ আৰু দুখ বিনাশ সাধনেই আছিল এই শিক্ষাৰ লক্ষ্য। অৰ্থাৎ শিক্ষাৰ জৰিয়তে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ আধ্যাত্মিক বিকাশ সাধনত গুৰুত্ব দিব লাগে।

## ② Buddhism and Curriculum:

বৌদ্ধিক শিক্ষাৰ মূল ভেটি হ'ল আধ্যাত্মিক দিশৰ বিকাশ সাধন। সেয়েহে, শিক্ষাৰ্থীসকলক মূলতঃ তিনিটা বিষয়ৰ অধ্যয়নত গুৰুত্ব দিছিল। সেইসমূহ হ'ল —

i) সুত্তান্ত (Suttanta)
ii) বিনয় (Vinaya)
iii) ধৰ্ম (Dharma).

বৌদ্ধিক শিক্ষা ব্যৱস্থাক প্ৰাথমিক আৰু উচ্চ এই দুটা ভাগত ভাগ কৰি শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছিল। প্ৰাথমিক স্তৰত 3R's অৰ্থাৎ লিখা, পঢ়া আৰু গননাৰ শিক্ষা প্ৰদান কৰা হৈছিল। আনহাতে, উচ্চ শিক্ষাৰ স্তৰত ধৰ্ম, দৰ্শন, চিকিৎসা, তৰ্কশাস্ত্ৰ, ন্যায় শাস্ত্ৰ, যুদ্ধ বিদ্যা ইত্যাদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছিল।

তাৰোপৰি জনগনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সূতা কটা, কাপোৰ বোৱা, ৰং কৰা, চিলাই কৰা, কৃষি, বানিজ্য, কুটীৰ শিল্প ইত্যাদি বৃত্তিমূলক শিক্ষা প্ৰদান কৰিছিল।

## ③ Buddhism and Medium of Instruction:

বিখ্যাত চীনা পৰিব্ৰাজক ফাহিয়ানৰ লিখনিত পোৱা যায় যে, পঞ্চম শতিকালৈ ব্ৰাহ্মনিক শিক্ষা পদ্ধতিটোৱে জনপ্ৰিয় হৈ আছিল। বৌদ্ধিক সন্ন্যাসীসকলে সাহিত্যৰ অধ্যয়নত অধিক গুৰুত্ব দিছিল আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত সংস্কৃত ভাষাটো অবিচ্ছেদ্য অংগ হিচাপে বিবেচিত হৈছিল। কিন্তু পালি আৰু অন্যান্য আঞ্চলিক ভাষাসমূহেও প্ৰাধান্য লাভ কৰিছিল। প্ৰাথমিক স্তৰত সংস্কৃত ভাষা ব্যৱহাৰ কৰা হোৱা নাছিল তাৰ পৰিৱৰ্তে পালি ভাষাই প্ৰাধান্য লাভ কৰিছিল। কিন্তু উচ্চ শিক্ষাৰ ক্ষেত্ৰত বেদ আৰু সংস্কৃত ভাষাই বিশেষ স্থান লাভ কৰিছিল।

## ④ Buddhism and Method of Teaching:

বৌদ্ধিক শিক্ষা ব্যৱস্থা বৈদিক শিক্ষাৰ সৈতে প্ৰায় একে আছিল। এই শিক্ষা ব্যৱস্থা মূলতঃ মৌখিক আছিল। আলোচনা চক্ৰ, তৰ্ক, প্ৰশ্ন-উত্তৰ, বক্তৃতা পদ্ধতি ইত্যাদিবোৰৰ সহায়ত বৌদ্ধ গুৰুৱে জ্ঞান প্ৰদানৰ ব্যৱস্থা কৰিছিল। তাৰোপৰি ব্ৰাহ্মনিক ব্যৱস্থাত গুৰুৱে প্ৰয়োগ কৰা তাত্ত্বিক আৰু ব্যৱহাৰিক পদ্ধতি অবলম্বনৰ জৰিয়তে বিভিন্ন কলা, শিল্প, সূতা কটা, কাপোৰ বোৱা ইত্যাদি বৃত্তিমুখী আৰু জীৱনোপযোগী শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছিল।

⑤ **Buddhism and Discipline :** বৌদ্ধিক দৰ্শন অনুযায়ী শিক্ষাৰ্থীয়ে বৌদ্ধ মঠত কঠোৰ অনুশাসন মানি চলিব লগীয়া হৈছিল। শিক্ষাৰ্থীয়ে বিদ্যা আৰম্ভ কৰাৰ বাবে পব্বজ্জা অনুষ্ঠান অনুষ্ঠিত কৰি কঠোৰ নিয়মাৱলীৰ বিষয়ে অৱগত কৰাইছিল। ভৌতিক জগতৰ আশা-আকাংক্ষা পৰিত্যাগ কৰি মুক্তি লাভৰ পথ প্ৰশস্তকৰণৰ বাবে আত্ম অনুশাসনত গুৰুত্ব দিছিল। অনুশাসন ৰক্ষাৰ ক্ষেত্ৰত নীতি হৈছে-

→ জীৱ হত্যা নকৰিবা।
→ আনৰ বস্তু লোভ নকৰিবা।
→ আনৰ বস্তু চুৰ নকৰিবা।
→ ৰাগিয়াল বস্তু সেৱন নকৰিবা।
→ সমালোচনাৰ পৰা বিৰত থাকিবা।
→ মিছা কথা নকৰা।
→ সুগন্ধি দ্ৰব্য ব্যৱহাৰ নকৰিবা।
→ গুৰুৰ যত্ন লবা। ইত্যাদি।

⑥ **Buddhism and Role of Teacher :** বৌদ্ধিক শিক্ষা ব্যৱস্থাত শিক্ষকক আচাৰ্য্য আৰু উপাধ্যায় হিচাপে জনা যায়। উপাধ্যায় সকল হ'ল শিক্ষাৰ্থীসকলক কৰ্ম নিৰ্দেশনা দানৰ উচ্চ কৰ্তৃত্ব। আচাৰ্য্যসকলে কাৰ্য্য সম্পাদনত আগভাগ লয় বাবে এওঁলোকক কৰ্মাচাৰ্য্য বুলি জনা যায়। বৌদ্ধিক শিক্ষা ব্যৱস্থাত উপাধ্যায়সকল আচাৰ্য্যতকৈ জ্যেষ্ঠ বুলি গ্ৰহণ কৰা হয়। তেওঁলোকৰ শিক্ষা অভিজ্ঞতাৰ সময় 10 বছৰ হোৱাৰ বিপৰীতে আচাৰ্য্যসকল 6 বছৰীয়া অভিজ্ঞতাপ্ৰাপ্ত হয়। ইয়াত শিক্ষকৰ ভূমিকাসমূহ এনেধৰণৰ—

→ শিক্ষাৰ্থীসকলক উপযুক্তভাৱে বৌদ্ধিক আৰু আধ্যাত্মিক দিশৰ বিকাশ সাধনৰ বাবে নিৰ্দেশনা দিয়া।
→ শিক্ষাৰ্থীৰ প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰা। যেনে: ভিক্ষা পাত্ৰ।
→ শিক্ষাৰ্থীৰ বেমাৰ-আজাৰ হ'লে শুশ্ৰূষা কৰা।
→ শিক্ষাৰ্থীক সুসমভাৱেৰে শিক্ষাদানৰ উপৰিও জীৱন-ধাৰণৰ বাবে উপযোগী পৰামৰ্শ দান কৰা ইত্যাদি।

———o———